# BELIEVERS EASTERN CHURCH

**ৰখীয়াৰ পত্ৰ**

নৱেম্বৰ/ ডিচেম্বৰ ২০২৩

**পিতৃ, পুত্ৰ আৰু পবিত্ৰ আত্মাৰ নামত সকলো আৰ্চবিশ্বপ আৰু বিশ্বপ, পুৰোহিত আৰু ডিকন পুৰোহিত, প্ৰচাৰক আৰু অৰ্ডাৰ অফ চিষ্টাৰ্ছ, আৰু বিশ্বব্যাপী বিলিভাৰ্চ ইষ্টাৰ্ন চাৰ্চৰ সকলো বিশ্বাসী আশীৰ্বাদ আৰু অভিনন্দন জ্ঞাপন কৰো। আমেন! ✠**

**খ্ৰীষ্টত অতিশয় প্ৰিয়সকল,**

যিদৰে আমি নৱেম্বৰৰ শেষৰ ফালে কাষ চাপিছো আৰু ডিচেম্বৰ মাহক আদৰিবলৈ প্ৰস্তুতি চলাইছো, তেনেদৰে আমি এই দুমাহৰ তাৎপৰ্য্যৰ কথা নিজকে সোঁৱৰাই দিয়াটো গুৰুত্বপূৰ্ণ। নৱেম্বৰ মাহত নতুন লিটাৰ্জিকেল বছৰৰ আৰম্ভণি হয়, আনহাতে ডিচেম্বৰ মাহত আমি লিটাৰ্জিকেল কেলেণ্ডাৰৰ এটা গুৰুত্বপূৰ্ণ ঘটনাক স্মৰণ কৰোঁঃ খ্ৰীষ্টৰ জন্ম।

আমাৰ বাবে, ঈশ্বৰৰ লোক হিচাপে, আমাৰ জীৱন আমি অনুসৰণ কৰা সাধাৰণ কেলেণ্ডাৰতকৈ মণ্ডলীৰ কেলেণ্ডাৰৰ আশে-পাশে বেছি ঘূৰি থাকে। এই নতুন লিটাৰ্জিকেল বছৰটোত আমি খ্ৰীষ্টত আমাৰ জীৱন বৃদ্ধিৰ প্ৰতিশ্ৰুতি দিয়াটো গুৰুত্বপূৰ্ণ। আমাৰ মাজৰ কিছুমানে হয়তো দৈনিক শাস্ত্ৰ পঢ়া, পৰিয়াল হিচাপে প্ৰাৰ্থনা কৰা, দৈনিক অনুতাপ কৰা, প্ৰভুক দশমভাগ দিয়া, মণ্ডলী কেলেণ্ডাৰ আৰু ইয়াৰ পৰ্ববোৰক পালন কৰা, আনৰ যত্ন লোৱাৰ অনুশাসন গঢ়ি তুলিব লাগিব আৰু তালিকাখন আৰু আগবাঢ়িব পাৰে।

মই আপোনালোকক এই আত্মিক অনুশাসনসমূহৰ প্ৰতি নিষ্ঠাৰে নিজকে প্ৰতিশ্ৰুতিবদ্ধ কৰিবলৈ আৰু ইয়াক আপোনাৰ জীৱনৰ অংশ হিচাপে গঢ়ি তোলাত সামঞ্জস্যপূৰ্ণ হবলৈ উৎসাহিত কৰিছো। এই সকলোবোৰৰ চাবিকাঠি, মণ্ডলী কেলেণ্ডাৰ নিষ্ঠাৰে অনুসৰণ কৰা, যিয়ে আপোনাৰ বাবে বহুত সহজ কৰি তুলিব। কেলেণ্ডাৰত আপোনাৰ আত্মিক জীৱন গঢ় দিবলৈ মণ্ডলীয়ে ইচ্ছাকৃতভাৱে ৰূপাংকন কৰা সকলো উপবাস আৰু উদযাপন (ভোজ) অন্তৰ্ভুক্ত কৰা হৈছে। মণ্ডলী কেলেণ্ডাৰখন এনেদৰে সংগঠিত কৰা হৈছে যে আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ পাৰ্থিৱ জীৱনৰ গুৰুত্বপূৰ্ণ ঘটনাসমূহৰ স্মৃতিত, ঘোষণাৰ কালৰ পৰা আৰম্ভ কৰি, যাৰ আকৰ্ষণীয় দিশ হৈছে বৰদিন উদযাপন।

বৰদিনে আশা, শান্তি আৰু আনন্দৰ এক শক্তিশালী বাৰ্তা কঢ়িয়ায়। ই আমাক ঈশ্বৰৰ অপৰিসীম প্ৰেম আৰু পৰিত্ৰাণৰ কাৰ্য্যৰ বিষয়ে চিন্তা কৰিবলৈ সহায় কৰে। জন্মৰ নিশা মেৰৰখীয়াসকলৰ আগত স্বৰ্গদূতে কৰা ঘোষণাই এই আৱেগক সিদ্ধভাৱে ধৰি ৰাখিছেঃ "মহা আনন্দৰ শুভবাৰ্তা মই তোমালোকক জনাওঁ যে, আজি দায়ুদৰ নগৰত তোমালোকৰ নিমিত্তে ত্ৰাণকৰ্তা জন্মিল; তেওঁ অভিষিক্ত প্ৰভু" (সাধু লূক ২ঃ১০-১১)। ঠিক যেনেকৈ স্বৰ্গদূতে ঘোষণা কৰিছিল, এই খবৰটো আমাকে ধৰি সকলোৰে বাবে, আৰু ই আমাৰ হৃদয় আনন্দ আৰু আশাৰে পূৰ্ণ কৰি তোলে। ঈশ্বৰে আমাৰ মানৰ ইতিহাসত প্ৰৱেশ কৰিছে আৰু ইমানুৱেল হৈ পৰিছে, আমাৰ লগত ঈশ্বৰ, যেনেকৈ শাস্ত্ৰই কৈছে, "বাক্য মাংস হৈ আমাৰ মাজত বাস কৰিলে।" (সাধু যোহন ১ঃ১৪) স্বৰ্গদূত, জোতিষী আৰু মেৰৰখীয়াসকলে খ্ৰীষ্টৰ জন্মৰ

শুভবাৰ্তাটো নিজৰ মাজতে ৰাখিব পৰা নাছিল, কিন্তু তেওঁলোকে সত্য আৰু তেওঁলোকৰ অভিজ্ঞতাক তেওঁলোকে সন্মুখীন হোৱা আন লোকসকলৰ ওচৰলৈ পঠাইছিল। বৰদিনৰ এই বতৰত, আনন্দ আৰু উদযাপন পাৰিচ, ঘৰ, আৰু আমাৰ হৃদয়ৰ দেৱালৰ বাহিৰলৈ বিস্তৃত হওক আৰু আমি অংশ হোৱা সমাজটোলৈ বিস্তাৰিত হওক।

বৰদিন দিৱসৰ আগতেই বিশ্বজুৰি নৈষ্ঠিক খ্ৰীষ্টিয়ানসকলে নেটিভিটি বা বৰদিন পৰ্ব পালন কৰে- যিটো সময়ে আমাক ঈশ্বৰৰ পুত্ৰই মাংস ৰূপ গ্ৰহণ কৰি আমাৰ মাজৰ এজন হোৱাৰ আশ্চৰ্য্যকৰ অলৌকিকতাৰ ওপৰত প্ৰাৰ্থনাৰে ধ্যান কৰিবলৈ সহায় কৰে। এই উপবাসৰ সময়ত আমি নিজকে আভ্যন্তৰিণ আৰু বাহ্যিক দুয়োটা দিশতে প্ৰস্তুত কৰোঁ যাতে খ্ৰীষ্ট আমাৰ দৰে হোৱাৰ দৰে আমিও তেওঁৰ দৰে হব পাৰো। ই আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ প্ৰতি আমাৰ দায়বদ্ধতাক নৱীকৰণ কৰাৰ আমন্ত্ৰণ- আমাৰ জীৱনত ভাৰসাম্য, শান্তি আৰু পবিত্ৰতা পুনৰুদ্ধাৰ কৰাৰ সময়।

বহু সময়ত, আমি উপবাসক কেৱল আহাৰৰ পৰা বিৰত থকা বুলি ভাবো। কিন্তু চেন্ট জ'ন ক্ৰাইছষ্টমে আমাক উপদেশ দিছে যে "যিজনে ভাবে যে উপবাস কেৱল আহাৰৰ পৰা বিৰত থকাতহে গঠিত, তেওঁ ভুল কৰিছে; সত্য উপবাসে হৈছে দুষ্টতাৰ পৰা আঁতৰি থকা।" গতিকে, আমি মনত ৰাখিব লাগিব যে আহাৰৰ পৰা উপবাসে থকাৰ সময়ত আমাক পাপ, পৰচৰ্চা, ঈৰ্ষা, খং, আৰু আমি সকলোৰে প্ৰায়ে নিয়ন্ত্ৰণ কৰিবলৈ দিয়া সেইবোৰ বস্তুৰ পৰা উপবাস কৰিবলৈও প্ৰত্যাহ্বান জনোৱা হয়।

মণ্ডলী হিচাপে, আমি মণ্ডলী কেলেণ্ডাৰ আৰু ইয়াৰ বিভিন্ন উপাদানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি খ্ৰীষ্টৰ এক শৰীৰ হিচাপে জীয়াই থাকিবলৈ এই সকলোবোৰ সুযোগ ব্যৱহাৰ কৰোঁ আহক। এই নতুন লিটাৰ্জিকেল বছৰটো মণ্ডলীৰ দেৱালৰ বাহিৰলৈ যাবলৈ, পাৰিচসমূহে মিছনত লাভৱান হবলৈ, আৰু আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ দৰে হবলৈ কাৰ্য্যৰ আহ্বান হওক!

সৰ্বশক্তিমান ঈশ্বৰৰ শান্তি আৰু অনুগ্ৰহ আপোনালোকৰ লগত সদা-সৰ্বদায় থাকক!

খ্ৰীষ্টত আপোনালোকৰ পিতৃ ,

অথানাছিয়ছ য়হান ১ মেট্ৰপলিটান ২০-১১-২০২৩

বিঃদ্ৰঃ অনুগ্ৰহ কৰি নিশ্চিত হওক যে এইটো সকলো আঞ্চলিক ভাষালৈ অনুবাদ কৰা হয় আৰু বিশ্বাসীসকলৰ উৎসাহৰ বাবে সকলো পাৰিচতে পঢ়া হয়।